**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 23-02-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

00000

১। ৰাজ্যৰ চাহ শ্ৰমিকসকলক ১৩ মাৰ্চৰ পৰা ভূমি পট্টা বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। খানাপাৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত বিভাগটোৰ কেইবাখনো আঁচনি উদ্বোধন।

৩। অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসৰ অধ্যক্ষতাত অষ্টম অসম দৰমহা আয়োগ গঠনৰ আনুষ্ঠানিক অধিসূচনা জাৰি।

৪। কেন্দ্ৰীয় চৰকাৰৰ অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীসকলৰ বাবে গুৱাহাটীত প্ৰাক্-অৱসৰকালীন কৰ্মশালা।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে মুম্বাইত জিম্বাব'ৱে, ৱেষ্ট ইণ্ডিজৰ সন্মুখীন।

0000000

ৰাজ্যৰ চাহ শ্ৰমিকসকলক ১৩ মাৰ্চৰ পৰা ভূমি পট্টা বিতৰণ কৰাৰ লগতে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত গৃহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত কেইবাখনো আঁচনি উদ্বোধনৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে আজি এই শ্ৰমিকসকলক গৃহ প্ৰদানৰ বাবেও অনুমোদন জনাইছে। চাহ শ্ৰমিকসকলৰ সৰ্বাংগীন উন্নয়ন আৰু কল্যাণৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

-বাইট-

00000

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ কেইবাখনো আঁচনি উদ্বোধন কৰে। মন্ত্ৰীগৰাকীৰ উপস্থিতিত কৃষি বিভিাগৰ অধীনৰ মুখ্যমন্ত্ৰীৰ উৎকৰ্ষ যোজনাৰ জৰিয়তে ৫০০ কৃষক উৎপাদক সংস্থা আৰু কৃষক উৎপাদক কোম্পানীলৈ ১৫ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা

হয়। তদুপৰি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু সমবেশী জীৱিকা অভিযানৰ অধীনত ১২০ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১ লাখ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ তথা কৃষি সাৰথি ডিজিটেল এপ মুকলি কৰা হয়।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এহেজাৰ ৮১৯ কোটি ৯১ লাখ টকা আবণ্টন দিয়ে। এই ধনৰ জৰিয়তে এহেজাৰ ৫২২ কিলোমিটাৰ পথ আৰু ৬২খন দলং নিৰ্মাণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে। অনুষ্ঠানৰ পাছত  শ্ৰীচৌহানে সাংবাদিকৰ আগত এইদৰে কয়-

-বাইট-

কৃষি মন্ত্ৰী শ্ৰীচৌহানে কাইলৈ মাজুলী জিলা ভ্ৰমণ কৰিব।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলা আজি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয় যে, সমগ্ৰ দেশতে ১০ কোটি মহিলা আত্ম-সহায়ক গোটৰ সৈতে জড়িত হৈ আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৭ চনৰ ভিতৰত ইয়াৰে ৩ কোটি মহিলাক লাখপতি কৰাৰ বাবে নিৰ্দেশ দিছিল। ২০২৫ চনতে এই লক্ষ্য অতিক্ৰম কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অসমত ৯ লাখৰো অধিক মহিলা লাখপতি হৈছে বুলি তেওঁ কয়। অনুষ্ঠানত বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয়, যে ২০২১ চনৰ ছাৰছ মেলাত ৪ কোটি ১৮ লাখ টকাৰ সামগ্ৰী বিক্ৰী হৈছিল। ২০২৪ চনত এই বিক্ৰী ১৯ কোটি টকালৈ বৃদ্ধি পায়। আজিৰ অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, অতুল বৰা, ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, কালিৰেপৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০

অসম-অৰুণাচল সীমা বিবাদ মীমাংসা দিশত শক্তিশালী পদক্ষেপ হিচাপে নামচাই ঘোষণাপত্ৰ স্বাক্ষৰিত হোৱাৰ পাছত দুয়োখন ৰাজ্যৰ মাজৰ প্ৰথমটো সীমাস্তম্ভ অৰুণাচলৰ পাক্কে কেচাং জিলাত স্থাপন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে সদৰি কৰি কয় যে এই পদক্ষেপে আন্তঃৰাজ্যিক সীমাৰ ক্ষেত্ৰত থকা দশকজোৰা অনিশ্চয়তাৰ অৱসান ঘটাব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অষ্টলক্ষ্মী উত্তৰ পূৰ্বাঞ্চল সংহত গোট হিচাপে উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে বুলি তেওঁ

কয়। এই ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱাৰ বাবে তেওঁ অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দুৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ চন্দ্ৰ দাসক অধ্যক্ষ হিচাপে লৈ অষ্টম অসম দৰমহা আয়োগ গঠনৰ বাবে আজি আনুষ্ঠানিক অধিসূচনা জাৰি কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জাৰি কৰা এই অধিসূচনা অনুসৰি, ৮ জনীয়া এই দৰমহা আয়োগত অসম চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগ, প্ৰশাসনীয় সংস্কাৰ বিভাগ, বিত্ত বিভাগৰ জ্যেষ্ঠতম সচিব কেইগৰাকী, আইন বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিবগৰাকী, বিত্ত বিভাগৰ বাজেট শাখাৰ বিশেষ সঞ্চালকগৰাকী আৰু বিত্ত বিভাগৰ দৰমহা-গৱেষণা শাখাৰ সচিবগৰাকীক আয়োগৰ পদেন সদস্য হিচাপে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাতুল মহন্তক বিশেষ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। আয়োগে সংস্কাৰমুখী আৰু সৰ্বাত্মক দৃষ্টিভংগীৰে দৰমহা গাঁথনিৰ সংশোধন কৰিব। বিত্ত বিভাগে আজি এটা বিবৃতিযোগে আয়োগ গঠন সন্দৰ্ভত অৱগত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৩ মাৰ্চত কোকৰাঝাৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰী, ৰাজ্যৰ মুখ্য সচিব ৰবি কোটা, বি টি আৰৰ আৰক্ষী মহাপৰিদৰ্শক বিবেক ৰাজ সিং আৰু বি টি চিৰ প্ৰধান সচিব মুকেশ কুমাৰ চাহুৱে কোকৰাঝাৰৰ গ্ৰীণফিল্ড পৰিদৰ্শন কৰে। দলটোৱে পাছত বি টি চি সচিবালয়ত আয়োজিত এখন পৰ্যালোচনা বৈঠকত প্ৰধানমন্ত্ৰীৰ কোকৰাঝাৰ ভ্ৰমণৰ প্ৰস্তুতিৰ তদাৰক কৰে। উল্লেখযোগ্য যে গ্ৰীণফিল্ডত সেইদিনা হ'ব লগীয়া এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰীয়ে বিভিন্ন প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি কৰাৰ কথা। এই ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কোকৰাঝাৰ আৰু ভূটানৰ গেলেফুৰ মাজত প্ৰস্তাৱিত ৰেলপথৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে। গ্ৰীণফিল্ড পৰিদৰ্শন কৰাৰ পাছত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

-বাইট-

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰ্যালয়ৰ অধীনৰ পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগৰ উদ্যোগত আজি গুৱাহাটীত বিভিন্ন বিভাগৰ পৰা অৱসৰ ল'বলগীয়া কৰ্মচাৰীসকলৰ বাবে এখন প্ৰাক্-অৱসৰকালীন কৰ্মশালা অনুষ্ঠিত হয়। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই কৰ্মশালাত অংশগ্ৰহণ কৰি কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে পেন্সনৰ নথিপত্ৰ আৰু ডিজিটেল জীৱন প্ৰমাণ-পত্ৰৰ দৰে বিষয়সমূহত আলোকপাত কৰে। তেওঁ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয় সহযোগ কৰিবলৈ আহ্বান জনায়। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন বিভাগৰ প্ৰায় ১৪০গৰাকী অচিৰেই অৱসৰ ল'বলগীয়া কৰ্মচাৰী আৰু বিষয়াই অংশগ্ৰহণ কৰা এই কৰ্মশালাত আদৰণি ভাষণ আগবঢ়ায় পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগৰ যুটীয়া সচিব ধ্ৰুৱজ্যোতি সেনগুপ্তাই।

ভাৰতীয় ষ্টেট বেংক, এইছ ডি এফ চি বেংক, কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য সেৱা আঁচনি আৰু আয়কৰ বিভাগৰ শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰা এই কৰ্মশালাত অৱসৰৰ পূৰ্বে কৰ্মচাৰীসকলক প্ৰয়োজনীয় পৰামৰ্শ,

বিনিয়োগজনিত পৰামৰ্শ, পেঞ্চন সম্পৰ্কীয় ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থা, ডিজিটেল প্ৰৱঞ্চনা আদি বিভিন্ন বিষয়ত আলোকপাত কৰা হয়।

০০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁৱত আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ চিৰাং জিলাৰ ছিদলী চিৰাং, বিজনী আৰু কোকৰাঝাৰৰ বাওখুংগ্ৰী, দোতমা, গোঁসাইগাঁও, কোকৰাঝাৰ আৰু পৰ্বতঝৰা বিধানসভা সমষ্টিৰ মুঠ ৩ হাজাৰ ৯৩০ গৰাকী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ চেক প্ৰদান কৰা হয়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মুখ্য অতিথি ৰূপে উপস্থিত থাকি এই আঁচনিয়ে যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ দিশত উৎসাহিত কৰিছে বুলি উল্লেখ কৰে। বি টি চিত আৰু ১৫ হাজাৰ যুৱক-যুৱতীক এই আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই অনুষ্ঠানত বি টি চিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে যুৱক-যুৱতীসকলক চৰকাৰী ধনেৰে স্বাৱলম্বী হোৱাৰ কামনা কৰে। অনুষ্ঠানত বিধায়ক অজয় কুমাৰ ৰায়, বি টি চিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম, ধীৰাজ বৰগয়াৰী, বেগম আখতাৰ আহমেদকে ধৰি ভালেসংখ্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাত জিলা প্ৰশাসনে নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ যাৱতীয় কাম-কাজ আৰম্ভ কৰিছে। গোৱালপাৰা জিলাতো মুঠ এহেজাৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। জিলাখনৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত জলেশ্বৰ সমষ্টিত ৩০০টা, গোৱালপাৰা পশ্চিম সমষ্টিত ২০৫টা, গোৱালপাৰা পূব সমষ্টিত ২৭৪টা আৰু দুধনৈ সমষ্টিত ২৩১টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। গোৱালপাৰা পশ্চিম সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰকেইটাৰ ভিতৰত ৩৩টা কেন্দ্ৰ অসম-মেঘালয় সীমান্তৰ দুৰ্গম অঞ্চলত অৱস্থিত। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুং, গোৱালপাৰা পশ্চিম সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া নৱজিৎ পাঠক আৰু নিৰ্বাচনী বিষয়া পল্লৱী বৰাই আজি সমষ্টিটোৰ অসম-মেঘালয় সীমান্তত থকা এই কেন্দ্ৰসমূহত গৈ প্ৰয়োজনীয় সা-সুবিধাৰ বুজ লয়। কেন্দ্ৰসমূহৰ নিৰাপত্তা, নিৰ্বাচনী বিষয়াৰ থকা-খোৱাৰ সা-সুবিধা, পানী আৰু বিদ্যুৎ যোগানৰ দৰে বিষয়সমূহৰ আজি পৰ্যবেক্ষণ কৰা হয়।

মাজুলীতো সংহত নতুন আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত নিৰ্বাচনী প্ৰস্তুতিৰ অংশস্বৰূপে এটা প্ৰশিক্ষণ কাৰ্যসূচী হাতত লোৱা হয়। জিলা আয়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়া ৰাতুল চন্দ্ৰ পাঠকৰ নিৰ্দেশনা মৰ্মে আয়োজিত এই কাৰ্যসূচীত নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিভিন্ন জটিলতাসমূহৰ বিষয়ে আলোচনা কৰা হয়। নিৰ্বাচনৰ সময়ত পালন কৰিবলগীয়া দায়িত্ব আৰু নীতি-নিয়মসমূহৰ বিষয়েও এই প্ৰশিক্ষণত অৱগত কৰোৱা হয়। নিৰ্বাচনী আচৰণ বিধি, ব্যয় নিৰীক্ষণ কোষৰ লগতে তথ্য প্ৰযুক্তি কোষৰ বিষয়ববীয়া আৰু সদস্যসকলক নিৰ্ধাৰিত নিৰ্বাচনী কৰ্তব্যৰ বিষয়ে আজিৰ প্ৰশিক্ষণ কাৰ্যসূচীত জানিবলৈ দিয়া হয়।

০০০০০

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই আজি টিংখাঙত সোণোৱাল কছাৰী সংগ্ৰহালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ অন্যান্য জাতি-জনগোষ্ঠীৰ লগতে সোণোৱাল কছাৰীসকলৰ সৰ্বাঙ্গীন কল্যাণৰ বাবেও ৰাজ্য চৰকাৰ সদায় দায়বদ্ধ বুলি মন্তব্য কৰে। টিংখাং সমষ্টিৰ ন-খাটৰ নিগম পাঁচআলিত ১ কোটি টকা

ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পটো জনগোষ্ঠীটোৰ চহকী সংস্কৃতি আৰু পৰম্পৰাসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে।

ooooo

অসম কলেজ শিক্ষক সংস্থাৰ আহ্বান মৰ্মে আজি ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়সমূহত পৰীক্ষা কেন্দ্ৰত শিক্ষক আৰু বৰ্হি নিৰীক্ষকক নিগৃহীত কৰা ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়।

ধেমাজি জিলাৰ চিলাপথাৰৰ সমীপৱৰ্তী অকাজান জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শেহতীয়াকৈ উচ্চতৰ মাধ্যমিক পৰীক্ষাত নিয়োজিত বৰ্হি নিৰীক্ষক এজনক পৰীক্ষাগৃহত অসাধু উপায় অৱলম্বন কৰা ছাত্ৰৰ বিৰুদ্ধে স্থিতি লোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্মমভাৱে প্ৰহাৰ কৰা হয়। গুৰুতৰভাৱে আহত শিক্ষকজন বৰ্তমানো চিকিৎসাধীন হৈ আছে। ঘটনাৰ লগত জড়িত আনজন ব্যক্তিক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

গুৱাহাটীৰ বি বৰুৱা মহাবিদ্যালয়ৰ শিক্ষক গোটে এই ঘটনাক তীব্ৰভাৱে গৰিহণা দি আজি মহাবিদ্যালয় চৌহদত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। একেদৰে ধেমাজিৰ ধেমাজি মহাবিদ্যালয়, চিঁটী কলেজ, মৰিধল মহাবিদ্যালয়, চিমেন চাপৰি মহাবিদ্যালয়, মাছখোৱা স্নাতক মহাবিদ্যালয়কে ধৰি বিভিন্ন উচ্চ শিক্ষানুষ্ঠানসমূহত শিক্ষক নিগ্ৰহৰ ঘটনাৰ তীব্ৰ প্ৰতিবাদ কৰা হয়।

ooooo

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেনস্থিত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত আজি ইভিএম আৰু ভিভিপেটৰ অতিৰিক্ত প্ৰথম পৰ্যায়ৰ নিৰীক্ষণ অনুষ্ঠিত হয়। ৰংখাং আৰু আম্ৰি বিধানসভা সমষ্টিৰ বাবে কালি আৰু আজি এই নিৰীক্ষণ অনুষ্ঠিত হয়। এই প্ৰক্ৰিয়াত ৩৫০টা ইভিএম আৰু ৩১টা ভিভিপেট পৰীক্ষণ কৰা হয়। বিভিন্ন স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ উপস্থিতিত এই পৰীক্ষণ সম্পন্ন হয়।

ooooo

আদালতত বিচাৰাধীন গোচৰ মীমাংসাৰ সুবিধা প্ৰদানৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৰাষ্ট্ৰৰ বাবে মধ্যস্থতা দ্বিতীয় পৰ্যায়ৰ অভিযান অব্যাহত আছে। যোৱা ২ জানুৱাৰীত আৰম্ভ হোৱা এই অভিযান ৩১ মাৰ্চলৈ অব্যাহত থাকিব। এই অভিযানৰ জৰিয়তে আদালতত বহুদিন ধৰি চলি থকা বিভিন্ন ধৰণৰ গোচৰ সহজে আৰু দ্ৰুতভাৱে মীমাংসা কৰাৰ ব্যৱস্থা লোৱা হৈছে। মধ্যস্থতাৰ জৰিয়তে পাৰস্পৰিক বুজাবুজিৰে গোচৰসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খন্তেক পাছতে হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি জিম্বাব'ৱেই প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

ooooo

সমাপ্ত